subhalakshminath@gmail.com

**2017**

# ASSAMESE

( Major )

Paper : 4·1

*Full Marks* : 75

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। এটা শব্দ বা বাক্যত উত্তৰ লিখা : ১×১০=১০

(ক) লেটিন 'Grammaticus' শব্দই কি বুজায়?

(খ) অসমীয়া ভাষাৰ প্ৰথমখন ব্যাকৰণ কিমান চনত ৰচিত হয়?

(গ) সত্যনাথ বৰাই লিখা অসমীয়া ব্যাকৰণখনৰ নাম কি?

(ঘ) অসমীয়া ভাষাত স্বৰৰ দৈৰ্ঘ্যবিশিষ্ট ধ্বনি হয়নে?

(ঙ) অসমীয়া ভাষাৰ উষ্মধ্বনি কেইটা?

(চ) *Syntactic Structures* নামৰ পুথিখনৰ লেখক কোন?



Scanned with OKEN Scanner

(ছ) অসমীয়া ভাষাত মধ্যপ্ৰত্যয় আছেনে ?

(জ) অসমীয়া ভাষাত বিভক্তি ব্যাকৰণগত বিষয় হয়নে ?

(ঝ) ধাতুৰ পিছত যোগ হোৱা প্ৰত্যয়ক কি প্ৰত্যয় বোলা হয় ?

(ঞ) প্ৰত্যেক ভাষাত বাক্য গঠনৰ ক্ৰম সাৰ্বজনীননে ?

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) ড০ নাথান ব্ৰাউনে ৰচনা কৰা ব্যাকৰণখনৰ নাম কি আছিল আৰু এইখন কোন চনত প্ৰকাশ হৈছিল ?

(খ) অল্পপ্ৰাণ আৰু মহাপ্ৰাণ ধ্বনি বুলিলে কি বুজা ?

(গ) ধ্বনি আৰু বৰ্ণৰ মাজত পাৰ্থক্য কি, বুজাই লিখা।

(ঘ) গঠনৰ ফালৰ পৰা অসমীয়া বাক্যৰ ভাগ কেইটা আৰু কি কি ?

(ঙ) স্বাৰ্থিক প্ৰত্যয় বুলিলে কি বুজা ? উদাহৰণ দিয়া।

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৩=১৫

(ক) উপাহিত বৰ্ণ (supra-segmental phoneme) কাক বোলে ? অসমীয়া ভাষাত প্ৰয়োগ হোৱা উপাহিত বৰ্ণসমূহৰ বিষয়ে চমুকৈ লিখা।

(খ) অসমীয়া ভাষাৰ লিংগ প্ৰকৰণৰ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰা।





(গ) অসমীয়া ভাষাৰ নিৰ্দিষ্টতাবাচক প্ৰত্যয়সমূহৰ প্ৰয়োগ-বৈশিষ্ট্য সম্পৰ্কে চমুকৈ লিখা।

(ঘ) ভাষাবিজ্ঞান (Linguistic) আৰু ভাষাতত্ত্ব (Philology) ৰ পাৰ্থক্য নিৰূপণ কৰা।

(ঙ) আসন্ন অঙ্গ বা নিকটস্থ অঙ্গ বুলিলে কি বুজা, উদাহৰণসহ বুজাই লিখা।

৪। (ক) অসমীয়া ব্যাকৰণৰ বিকাশৰ এটি ঐতিহাসিক পৰ্যালোচনা আগবঢ়োৱা আৰু প্ৰচলিত ব্যাকৰণসমূহে অসমীয়া ভাষাৰ স্বৰূপ উদ্‌ঘাটনত কিমানদূৰ সফল বা বিফল হৈছে সেই সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা। ৬+৪=১০

অথবা

(খ) ব্যাকৰণ বুলিলে কি বুজা ? ব্যাকৰণৰ প্ৰকাৰ সম্পৰ্কে ফঁহিয়াই আলোচনা কৰা। ৩+৭=১০

৫। (ক) "ধ্বনিবিজ্ঞান (Phonetics) আৰু বৰ্ণবিজ্ঞান (Phonemics)ৰ সামগ্ৰিক আলোচনাই হ'ল ধ্বনিতত্ত্ব (Phonology)।" উক্ত কথাষাৰ উদাহৰণেৰে বিশ্লেষণ কৰা। ১০

অথবা

(খ) অসমীয়া ভাষাত বিশিষ্ট স্বৰধ্বনি কেইটা আৰু কি কি? এই স্বৰধ্বনিসমূহৰ কি কি ভিত্তিত, কেনেদৰে শ্ৰেণী বিভাজন কৰা হৈছে, তালিকাভুক্ত কৰা আৰু প্ৰতিটো বিশিষ্ট স্বৰধ্বনি লিখিবলৈ অসমীয়া ভাষাত কি কি আখৰ ব্যৱহাৰ কৰা হয়, লিখা। ২+(৬+২)=১০



Scanned with OKEN Scanner

৬। (ক) বাক্যতত্ত্ব কাক বোলে? অসমীয়া বাক্যৰ গঠন সম্পৰ্কে বহলাই আলোচনা কৰা। ২+৮=১০

*অথবা*

(খ) বচন-নিৰপেক্ষ ৰূপ বুলিলে কি বুজা? অসমীয়া ভাষাত বচন-নিৰপেক্ষ ৰূপৰ পিছত একবচনবাচক আৰু বহুবচনবাচক ৰূপবোৰ কেনেধৰণেৰে প্ৰয়োগ হয়, উদাহৰণসহ বুজাই লিখা। ২+৮=১০

৭। (ক) কাৰক কাক বোলে? কাৰক আৰু বিভক্তিৰ সম্পৰ্ক কি? অসমীয়া ভাষাৰ কাৰক সাধনৰ বিশেষত্বসমূহ আলোচনা কৰা। ২+২+৬=১০

*অথবা*

(খ) অসমীয়াত ধাতু কেই প্ৰকাৰৰ আৰু কি কি? অসমীয়া ভাষাৰ মুখ্য ধাতুসমূহৰ বিষয়ে আলোচনা কৰা। ২+৮=১০

★★★



Scanned with OKEN Scanner